As per CBCS Syllabus

# অসমীয়া চুটিগল্প আৰু উপন্যাস

গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ ষষ্ঠ ষাণ্মাসিকৰ সন্মান পাঠ্যক্ৰমৰ আধাৰত

**ASM-HC-6016**




সম্পাদনা ঃ

ড° ভনিতা নাথ




*Asamiya Chutigalpa Aru Upanyash* : A collection of Assamese articles edited by Dr. Bhanita Nath and Published by B. D. Prakash, Panbazar, Guwahati : 1
First Edition : May, 2022
Price : 325/-

# অসমীয়া চুটিগল্প আৰু উপন্যাস

ISBN : 978-93-94134-01-0

প্ৰকাশক
বি. ডি. প্ৰকাশ
পাণবজাৰ, গুৱাহাটী-১

পৰিৱেশক
বান্ধৱ, পাণবজাৰ, গুৱাহাটী-১
ফোন ঃ ৮১৩৫৯-৮২৬৪১
অসম বুকট্ৰাষ্ট, পাণবজাৰ, গুৱাহাটী-১
ফোন ঃ ৯১০১২-৫৪৪৩৪
বুকলেণ্ড, পাণবজাৰ, গুৱাহাটী-১
ফোন ঃ ৯৮৬৪৫-০৮২৫৭

প্ৰথম প্ৰকাশ ঃ মে', ২০২২ চন

© সম্পাদকৰদ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত

ডি টি পি ঃ ভৱদীপ ৰয়

মূল্য ঃ ৩২৫.০০ টকা

মুদ্ৰক
ইলোৰা অফছেট,
হেদায়েৎপুৰ, গুৱাহাটী-০১

# সূচীপত্ৰ


চুটিগল্প ঃ আৰম্ভণিৰপৰা সাম্প্ৰতিক যুগলৈ
ড° পঙ্খী হাজৰিকা ১১

অসমীয়া চুটিগল্পৰ ধাৰা
জোন কুমাৰ কলিতা ২৩

অসমীয়া উপন্যাসৰ গতি-প্ৰকৃতি
ড° ভনিতা নাথ ৩৪

অসমীয়া উপন্যাসৰ ধাৰা
ড° ভনিতা নাথ ৫৭

লক্ষ্মীধৰ শৰ্মাৰ গল্প 'নীনা'— এক সামগ্ৰিক আলোচনা ৮৯
সংযুক্তা বৰুৱা

লক্ষ্মীধৰ শৰ্মাৰ গল্প 'নীনা' ১০০
কংকনা ডেকা
ভাস্বতী ডেকা

যোগেশ দাস আৰু তেওঁৰ 'বৰদেউতা' গল্প ১০৭
ড° দুলাল চন্দ্ৰ দাস

যোগেশ দাসৰ 'বৰদেউতা' গল্প ১২৫
পৰেশ দাস

পূৰবী বৰমুদৈৰ 'ৰাজনীতি নুবুজা মানুহ' গল্পত আলোকপাত ১৩৩
মনোৰঞ্জন বৰদলৈ

মামণি ৰয়ছম গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসখনত কথিত ভাষাৰ প্ৰয়োগ ঃ এটি আলোচনা
সবিতা দাস ২৫

মামণি ৰয়ছম গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসত প্ৰকৃতি চিত্ৰণ
ড° ৰুমি দাস ২৫

দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাত' প্ৰতিফলিত সমাজ জীৱনৰ ছবি ঃ এটি আলোচনা
চুমি কাথাৰ ২৬

মামণি ৰয়ছম গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসখনৰ ভাষাশৈলী
জোনালী কলিতা ২৭৩

অসমীয়া বিধৱা নাৰীৰ করুণ আৰ্তনাদ ঃ মামণি ৰয়ছম গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসৰ 'গিৰিবালা' চৰিত্ৰ ২৭৮
মিৰ আব্দুৰ ৰহিম

'সৌদামিনী' আৰু 'গিৰিবালা' মামণি ৰয়ছম গোস্বামীৰ অনুপম সৃষ্টি ২৮৫
সংযুক্তা বৰুৱা

'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ৰ নাৰীকেন্দ্ৰিক বাস্তৱতা আৰু নাৰী চৰিত্ৰ
ৰেৱত মহন্ত ২৯০

লেখক পৰিচিতি ঃ ২৯৮

# মামণি ৰয়ছম গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসত প্ৰকৃতি চিত্ৰণ

ড° ৰুমি দাস

অসমীয়া সাহিত্য জগতত বিৰল প্ৰসিদ্ধিৰ অধিকাৰী তথা সফল ঔপন্যাসিক ৰূপে স্থান দখল কৰা মামণি ৰয়ছম গোস্বামীৰ নাম অন্যতম। জ্ঞানপীঠ বিজয়ী গোস্বামীৰ উপন্যাসৰাজিয়ে অসমীয়া উপন্যাস ক্ষেত্ৰত এখন সুদৃঢ় আসন নিশ্চিত কৰিছে। তেওঁৰ 'দঁতাল হাতীৰ উয়ে খোৱা হাওদা' উপন্যাসখন সমাজ বাস্তৱতাৰ পটভূমিত ৰচিত হৈছে। সমাজৰ লগত মানৱৰ সম্পৰ্ক অংগাগী। এই সম্পৰ্কৰ ডোলদাল দৃঢ় কৰি তোলাৰ ক্ষেত্ৰত পাৰিপাৰ্শ্বিক অৱস্থাৰ ভূমিকাও অন্যতম। গোস্বামীৰ উক্ত উপন্যাসখনত মানৱ সমাজৰ সুখ-দুখ, অনুভূতি, আশা-নিৰাশা, নিষ্ঠুৰ নীতি-নিয়ম, পৰম্পৰা, আধুনিকতাৰ মাজত দ্বন্দ্ব, বাল্য বিবাহৰ কৰুণ পৰিণতি আদি বাস্তৱ সমাজৰ মুখামুখি কৰি তুলিবলৈ যাওঁতে ভিন্ন সময়ত প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছে।

যুদ্ধোত্তৰ বা ৰামধেনু যুগৰ অসমীয়া সাহিত্যৰ বুৰঞ্জীত ঔপন্যাসিক হিচাপে খ্যাতি লাভ কৰা মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত স্বকীয় মননশীলতা, সংবেদনশীলতা, সূক্ষ্ম দৃষ্টিভংগী, জীৱন আৰু জগত, প্ৰকৃতি সম্পৰ্কে এক উদাৰ মনোভংগী, যন্ত্ৰণাজৰ্জৰ মানুহৰ প্ৰতি গভীৰ সহানুভূতি আদি লক্ষণ ধৰা দিয়ে। ইয়াৰ লগতে নাৰীমনৰ গভীৰ বাৰ্তা উদঙাই দেখুওৱা পৰিলক্ষিত হয় তেওঁৰ প্ৰায়ভাগ উপন্যাসতে।

'দঁতাল হাতীৰ উয়ে খোৱা হাওদা' উপন্যাসখনৰ উপজীৱ্য হ'ল এজন সত্ৰাধিকাৰৰ পাৰ্থিৱ বৈভৱ আৰু শাসকীয় অধিকাৰ ক্ৰমাগতভাৱে অৱক্ষয় হৈ অহাৰ কাহিনী। ১৯৪৭ চনৰ জগলীয়া নদীৰ পাৰৰ আমৰঙা সত্ৰ — দক্ষিণ

কামৰূপৰ এই সৰু অখ্যাত অঞ্চলটোৱে ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰা সামাজিক, ৰাজনৈতিক আৰু আৰ্থ-সামাজিক পৰিৱেশৰ এক প্ৰাঞ্জল চিত্ৰ প্ৰতিফলিত হৈছে। উপন্যাসখনত প্ৰাচীন পৰম্পৰাগত ৰীতি-নীতি আৰু গোসাঁই পৰিয়ালৰ বংশ মৰ্যাদাৰ ছবি বিভিন্ন সামাজিক দৃষ্টিকোণেৰে প্ৰকাশ কৰা দেখা গৈছে।

উপন্যাসখনৰ প্ৰধান চৰিত্ৰ ইন্দ্ৰনাথক শক্তিশালী ৰূপত উপস্থাপন কৰা হৈছে। স্পৃশ্য-অস্পৃশ্য, ৰীতি-নীতিৰ সংস্কাৰৰ মাজত ডাঙৰ-দীঘল হৈয়ো ইন্দ্ৰনাথে জাতি-ভেদ, উচ্চ-নীচ বিচাৰ নকৰি মানুহৰ লগত সম্পৰ্ক ৰক্ষা কৰিছে। ইন্দ্ৰনাথৰ পেহীয়েক দুৰ্গা আৰু ভনীয়েক গিৰিবালা বিধৱা নাৰী। আনহাতে খুৰীয়েক সৰু গোসাঁনীও বিধৱা। উপন্যাসখনত লেখিকাই ভাৰতবৰ্ষ স্বাধীনতাৰ সময়ত চলা কানি নিবাৰণী আন্দোলন, কমিউনিষ্ট দলৰ অভ্যুত্থান, প্ৰেম আদি বিভিন্ন ঘটনা পৰিঘটনাক ভিন্ন পৰিস্থিতিৰ মাজেৰে বাস্তৱ ৰূপত আকৰ্ষণীয়ভাৱে দাঙি ধৰিছে। লেখিকাই উপন্যাসৰ মাজেৰে নাৰী তথা আৰ্তজনৰ প্ৰতি তেওঁৰ হৃদয়ৰ অসীম সহানুভূতি প্ৰদৰ্শন কৰি উচিত বিচাৰৰ বাবে কলমৰূপী অস্ত্ৰেৰে প্ৰতিবাদ জনাইছে। ফলত তেওঁৰ মন শোকাভিভূত হৈ পৰিছে যদিও চৌদিশৰ প্ৰকৃতিৰ অনুপম সৌন্দৰ্যৰাশিক তেওঁ উপেক্ষা কৰিব পৰা নাই।

ঔপন্যাসিক গোস্বামীৰ লেখনিত আমৰঙা সত্ৰ আৰু ওচৰ-পাজৰৰ গাঁও অঞ্চলৰ হাবি-বন, নৈ-নিজৰা, পাহাৰ-পথাৰ, বাট-পথ, প্ৰাকৃতিক পৰিৱেশ আদি বৰ্ণময় হৈ উঠিছে। "কোনো চিত্ৰশিল্পীয়ে তুলিকাৰে ৰং বোলাই চিত্ৰ এখনি মূৰ্ত কৰি তোলাৰ দৰেই ঔপন্যাসিকৰ শক্তিশালী কথনশৈলীৰে পটভূমিৰ চিত্ৰবৎ ৰূপ স্পষ্ট কৰি তুলিছে। বৰিহাটৰ পৰা ইন্দ্ৰনাথৰ ঘৰলৈ যোৱা শিল দিয়া আলি, বাৰিষা বোকা আৰু খৰালি ধূলিময় ৰূপ লোৱা শিল নিদিয়া আলি, কুষ্ঠৰোগীটোৱে আশ্ৰয় লোৱা বটগছ জোপা, জোকৰাম ভাগৱতীৰ পিছ চোতালত থকা কঠনা ফুলগছ জোপা, তলসৰা শেৱালিৰ সুগন্ধি, চাঙত থকা লাউৰ হালধীয়া ফুলবোৰৰ বৰ্ণনা আদি সুক্ষ্মাতিসুক্ষ্ম বিৱৰণ ইমানেই পুংখানুপুংখ আৰু যথাযথ যে পাঠকৰ মনোজগতত সি ছবিৰ ৰূপত ভাহি উঠিবলৈ সক্ষম হয়। ইয়াৰ বাহিৰেও সত্ৰৰ কাষেৰে বৈ যোৱা জগলীয়া নদীখনৰ সৌন্দৰ্যই উপন্যাসখনত বিশেষ ভূমিকা গ্ৰহণ কৰিছে।"

(দেৱী জাহ্নৱী। উপন্যাস-বিচাৰ। পৃ.-৬৫)।

'জগলীয়াৰ কল কল শব্দ যেন এজাক গাভৰুৰ মূগাৰ মেখেলাৰ খচমচনিৰ লগত এক হৈ পৰিছে।" (গোস্বামী, মামণি ৰয়ছম। দঁতাল হাতীৰ উয়ে খোৱা হাওদা। পৃ.-৩১)। কেতিয়াবা জগলীয়া নদীক 'এটুকুৰা শুকান হাড়ৰ দৰে' (পৃ.৫৪) লাগে আৰু কেতিয়াবা 'সুৰুযৰ বুকুৰপৰা বাগৰি অহা চপৰা-চপৰি তেজৰ চেকুৰাৰে যেন জগলীয়াৰ পানী ৰাঙলী হৈ পৰে' (পৃ. ১৮)। এনেধৰণেৰে সামগ্রিকভাৱে জগলীয়া নদীখনৰ সৌন্দৰ্য প্ৰকাশিত হোৱাৰ লগতে অঞ্চলটোৰ মানুহৰ মাজত জীৱনৰ আভাসো বহন কৰিছে।

প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য বৃদ্ধি কৰিছে জগলীয়া নদীখন জীৱন্ত ৰূপত প্ৰকাশ কৰাত। হেঙুলী সুৰুযৰ ৰশ্মি যেতিয়া নদীৰ পানীত পৰে তেতিয়া এক সোণালী উজ্বল সৌন্দৰ্যৰ সৃষ্টি হয়—

"সৌৱা জগলীয়াৰ সোণালী পানীৰ ৰেখা দেখা গ'ল। সুৰুযৰ বুকুৰ পৰা বাগৰি অহা চপৰা-চপৰি তেজৰ চেকুৰাৰে যেন জগলীয়াৰ পানী ৰাঙলী হৈ পৰিছে। কুঁৱলী আৰু ধোঁৱাই প্ৰত্যেক জোপা গছক এক ৰসহ্যময় ৰেচমী কাপোৰেৰেহে যেন মেৰিয়াই থৈছে।...সৌৱা বেলিটোৱে যেন এই মুহূৰ্তত এখন গাধৰ ছালহে পিন্ধি লৈছে। কিছু সময়ৰ পিছত মুগা বৰণীয়া পোহৰে গছ আৰু জোপোহাৰ বুকুৰে উৰি ফুৰা ৰেচমী কাপোৰক ফালি চিৰি যেন ছিৰাছিৰ কৰি পেলালে।" (উক্ত গ্ৰন্থ, পৃ.- ১৮)।

জগলীয়াৰ সৌন্দৰ্যৰ লগত গাভৰুৰ ৰূপৰ বৰ্ণনাৰে লেখিকাই পৰিৱেশটো জীৱন্ত কৰি তুলিছে। জগলীয়া নদীৰ বুকুত পৰা জোনাক ৰাতিৰ পোহৰৰ যি কোমলতা সেই কোমলতা ভৰা গাভৰুজাকৰ হাত-ভৰি, কলা-ফুলৰ বৰণ। জগলীয়াৰ গৰাৰ মাটিৰ দৰে কোমল আছিল সিহঁতৰ ভাঁজ। জগলীয়া নদীখনৰ বৰ্ণনা উপন্যাসখনৰ য'তেই সুবিধা পাইছে তাতেই ঔপন্যাসিকে প্ৰকৃতিময় চিত্ৰৰে উপস্থাপন কৰিছে।

উপন্যাসখনৰ নাৰী চৰিত্ৰ দুৰ্গাৰ স্বামীৰ মৃত্যুৰ পিছত নিজৰ ঘৰলৈ উভতি অহাৰ সময়ত স্বামী গৃহৰ সম্পত্তিৰ বাবে কৰ্ট-কছাৰী কৰিব লাগিব এনে ধৰণৰ চিন্তা অহাৰ লগে লগে মূৰটো আচন্ৰাই কৰাৰ লগে লগে গেটেই ৰাতি দুৰ্গাই আঁঠু দুটা গুজি একেদৰেই বহি থাকিল। এই সময়ছোৱাতে লেখিকাই প্ৰকৃতিৰ বৰ্ণনাৰ এখন অপৰূপ চিত্ৰ দাঙি ধৰিছে—

"দলৌ বাঁহৰ জোপোহাৰ ওচৰত আৰু কেইবাবাৰো শিয়ালে হোঁৱা দিলে। লাহে লাহে পূবফালৰ আকাশখনে পুৰণি পাটৰ চাদৰৰ বৰণ ল'লে। এই পাটৰ চাদৰৰ আঁচল লাহে লাহে চাৰিওফালে বিয়পি পৰিল। কাগজী নেমু আৰু শেৱালি ফুলৰ মহমহীয়া গোন্ধ এটা চাৰিওফালে বিয়পি পৰিল।" (উক্ত গ্ৰন্থ, পৃ,- ১৪)

প্ৰকৃতিৰ বৰ্ণনাত প্ৰতীক বা চিত্ৰকল্পৰ ব্যৱহাৰে উপন্যাসখনৰ মাধুৰ্য বৃদ্ধি কৰাত সহায়ক হৈছে—

"পুৱাৰ সূৰ্যই বিজুলী বাঁহৰ জোপোহাবোৰত যেন বগাবলে আৰম্ভ কৰিছিল। বাঁহৰ জোপোহাবোৰত পুৱাৰ কুঁৱলীয়ে তেতিয়াও কাপোৰ এখনহে যেন পিন্ধাই আছিল। সেই কাপোৰ অৱশ্যে ফটা কাপোৰৰ দৰেহে আছিল।" (উক্ত গ্ৰন্থ, পৃ.-১৫)।

প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যৰাশি বৰ্ণনাত বা প্ৰেমৰ মায়াময় পৰিৱেশ ৰচনাত ৰয়ছম গোস্বামীৰ ভাষা হৈ পৰে কবিতাৰ সমস্ত মাধুৰ্য আৰু সুষমাৰে মণ্ডিত। ভাবৰ ব্যঞ্জনাই কেৱল নহয়, শাৰী একোটা বা অনুচ্ছেদ একোটাৰ গাঁথনিটোও ভাৱক অনুসৰণ কৰি লয় নানা ৰূপ, নানা ভংগীৰ। (হুছেইন নিকুমণি সম্পা.) মামণি ৰয়ছমৰ আভা আৰু প্ৰতিভা (পৃ.-১৫)।

ইলিমনৰ প্ৰেমৰ যৌন প্ৰকাশৰ বিৰল কাব্যিকতাই মন পৰশি যায়—

"জাৰ্মান বনৰ আঁৰ হৈ থকা দেহটো কঁপি উঠিল। যেন ফুলি থকা শেৱালি ফুল এজোপা কোনোবাই জোঁকাৰি দিলে।

তল ভৰি ভৰি ফুল সৰিল।

ফুলজোপা যেন লঠঙা হৈ পৰিল। (উক্ত গ্ৰন্থ, পৃ.-৪৮)

ভাবৰ পৰিৱৰ্তনৰ লগে লগে লেখিকাৰ উপমা, ব্যঞ্জনা আৰু চিত্ৰকল্পই ৰূপ সলায়। মধুৰ কথনভংগী হঠাতে হৈ পৰে কঠিন ৰুক্ষ। কাগজী নেমুৰ গোন্ধ তৎক্ষণাতে নোহোৱা হয়, পাটৰ কাপোৰত মুখ লুকুৱাই ভৰি থকা জোনটো ভঙা আইনাত টুকুৰা-টুকুৰ হৈ পৰে। সুৰুযৰ বুকুৰ পৰা বাগৰি পৰে চপৰা-চপৰে তেজ বা বেলিটোৱে পিন্ধি লয় গাধৰ ছাল।

অসমীয়া সমাজ সংস্কৃতিৰ প্ৰতিচ্ছবি প্ৰকৃতিৰ বিনন্দীয়া ৰূপৰ সমাহাৰেৰে বিচিত্ৰ কৰি তোলাৰ ছবিও উপন্যাসখনত প্ৰতিফলিত হৈছে। সেয়া ফুল, গছ-লতিকা, চৰাই-চিৰিকটি, নদ-নদী সকলোতে উপলব্ধ হৈছে। তামোল-পাণ,

ইকৰাৰে সজা গাঁৱৰ ঘৰবোৰৰ নান্দনিক সৌন্দৰ্য, কুঁহিয়াৰৰ আগবোৰৰ ফুৰ্ফুৰীয়া গোন্ধ, কামিনী ফুলৰ জোপোহা, গুটিমালি ফুলৰ মালাৰে মেৰিয়াই থোৱা সাঁচিপতীয়া পুথিখনৰ বৰ্ণনা, শৰৎ কালৰ অপৰূপ শুভ্ৰ শেৱালি ফুলৰ সৌন্দৰ্য, ৰবাব টেঙা এইবোৰেও প্ৰকৃতিৰ সজীৱ ছবি অংকিত কৰাত সহায়ক হৈছে।

উপন্যাসখনৰ অন্যতম নাৰী চৰিত্ৰ সৰু গোসাঁনী আৰু গিৰিবালাৰ ছবিৰ মাজতে প্ৰকৃতি সুলভ বৰ্ণনাৰ আভা দেখা যায়। প্ৰকৃতি সুলভ বৰ্ণনাৰে চৰিত্ৰৰ মনত দোলা দি থকা কথাবোৰ সুন্দৰ ৰূপত প্ৰকাশ কৰিছে—

"এয়া মাঘৰ মাহ। সৌৱা, তেওঁৰ বাৰীৰ বগৰীকেইজোপাৰ বগৰী পকি পুৰণি মুগা কাপোৰৰ দৰে বৰণ লৈছে। আনদিনা এইখিনি সময়ত পাত-হালধীয়াৰ মানুহে ধান অনা গৰু গাড়ীৰ কেৰ্ কেৰ্ শব্দ শুনা পায়। সৰুজনা গোসাঁইৰ মৃত্যুৰ পিছত সদায়ে সিহঁতে ধান আনি তেওঁৰ চোতালত পেলাই থৈ আহিছে। বগৰীবোৰ পকি মুগা বৰণীয়া হোৱাৰ লগে লগে আৰু বগৰী গছত বাদুলীবোৰেও কুহুৰ কুহুৰ কৰাৰ লগে লগে সৰু গোসাঁনীয়ে বুজি পাইছিল গাড়ী আহিব। পাত-হালধীয়াত আধি খাই থকা মানুহে গাড়ীৰে আনি ধান দি থৈ যাব।' (উক্ত, গ্ৰন্থ, পৃ.-৬৬)

প্ৰকৃতিৰ মাজতে সৰু গোসাঁনীয়ে কেনেদৰে স্বামীৰ মৃত্যুৰ পিছত নিজৰ জীৱন নিৰ্বাহ কৰিছিল সেইখিনি কথা বৰ্ণনা কৰিছে। আনকি সৰু গোসাঁনীয়ে মাটিৰ চাকি হাতত লৈ বাৰীৰ তামোলৰ থোঁক আৰু নাৰিকলৰ হিচাপ লৈ ফুৰিছিল।

অসমীয়া সমাজ জীৱনৰ চিনাকি দিয়া গাঁৱলীয়া মানুহৰ বাৰীৰ শাক-পাচলিৰ পৰা আৰম্ভ কৰি বাঁহ গছ, চাঙত থকা লাউ গছৰ হালধীয়া ফুলেৰে জাতিষ্কাৰ হোৱাৰ দৃশ্য, সৰু সৰু ফুলৰ ভোলৰ চাঙি আদিবোৰে উপন্যাসখনৰ প্ৰাকৃতিক পৰিৱেশৰ এক অনন্য সুন্দৰ ছবিৰ প্ৰকাশ কৰিছে।

ইলিমনৰ মন ইন্দ্ৰনাথৰ প্ৰতি আকৰ্ষিত হোৱাৰ পিছত ইলিমনে ইন্দ্ৰনাথৰ বাবে বৈ থকা দৃশ্যৰ মাজতো অসমীয়া গাঁৱলীয়া জীৱনৰ ছবি প্ৰাকৃতিক বৰ্ণনাৰে দাঙি ধৰিছে—

"নাদৰ পাৰৰ ভোটোৰাৰ জোপোহাৰ ওচৰলৈ তাই উঠি গ'ল। কেঁচা নাদটোৰ চাৰিওফালে বান্ধি দিয়া বাঁহৰ জেওৰা এতিয়া একেবাৰে বিশৃংখল

হৈ হাউলি পৰিছে। নাদৰ পাৰৰ কঠনা ফুল জোপা জাতিষ্কাৰ হৈ ফুলি আছে। বগা ফুল। ফেহুৰ দৰে।" (উক্ত গ্ৰন্থ, পৃ.-১১৩)।

এনেধৰণৰ দৃশ্যই গাঁও এখনৰ মনোৰম সৌন্দৰ্যৰ কথা বৰ্ণনা কৰিছে।

প্ৰকৃতিৰ সৌন্দৰ্য বহন কৰা ধাননি পথাৰসমূহৰ বৰ্ণনা, গাঁৱলীয়া মানুহৰ ব্যস্ততা, বটেশ্বৰী শালি ধানৰ সুগন্ধিময় পৰিৱেশে পথাৰৰ খেতি ভাল হোৱাৰ নিৰ্দেশ বহন কৰা দৃশ্যৰাজি উপন্যাসখনত উপলব্ধ। আঘোণ মাহৰ প্ৰকৃতিৰ পৰিৱেশৰ ৰূপ উপন্যাসখনত এনেধৰণে ধৰা দিছে—

'এয়া আঘোণৰ মাহ, সৌৱা মাটিয়া পাহাৰ আৰু অধিকাৰ গোসাঁইহঁতৰ বাৰীৰ গাঁথি নথকা জাতি বাঁহ, সৰু সৰু বিজুলী বাঁহ আৰু সৌৱা দীঘল দীঘল দলৌ বাঁহবোৰৰ ওপৰত কুঁৱলীয়ে যেন এখন ঢেঁকী জাল টানি থৈছে। নাই নাই, ক'ৰবাত ডাঠ, ক'ৰবাত পাতল এই কুঁৱলীক হীৰাপাৰাৰ তেনেই দৰিদ্ৰ অথচ গাভৰু তিৰোতাহঁতে ধুই-পখালি জগলীয়াৰ সৰিত পিন্ধি যোৱা একোখন জলৌ লৌৱা গাতালৰ দৰে লাগিছে।" (উক্ত গ্ৰন্থ, পৃ.-১৭২)।

ৰ'দৰ সৌন্দৰ্যৰ বৰ্ণনাৰ আভাস, কুঁৱলীৰ মিঠা আভৰণে ৰ'দক আৱৰি থকা মনোৰম বৰ্ণনা লেখিকাই কলাসুলভভাৱে দাঙি ধৰিছে—

"বৰ চিকুণ ৰ'দ। সৰু গোসাঁনীৰ সন্মুখত শাখা-প্ৰশাখাৰে বাঢ়ি অহা দুৰ্বখৰিজোপাৰ ওপৰত সূৰ্য উঠিল। বৰ পাকৈত মাছুৱৈৰ দৰে তেওঁ সোণালী সূতাৰ জালখন যেন এই আমৰঙা সত্ৰৰ ওপৰত মেলি ধৰিছে।" (পৃ.-১৭৮)।

কেতিয়াবা আকৌ সূৰ্যটোক শুকাই যোৱা ৰঙা লাউৰ লগতো তুলনা কৰিছে। (পৃ.-১৮৭)।

প্ৰকৃতিক অধিক জীপাল কৰি তোলা এনেবোৰ বৰ্ণনাৰে গ্ৰাম্য সমাজৰ ছবিখন সুন্দৰকৈ অংকন কৰিছে।

প্ৰকৃতি জগতৰ বিভিন্ন সূক্ষ্ম বস্তু তথা গছ-গছনি, ফল-মূল আদিলৈ লেখিকাৰ গভীৰ দৃষ্টি। সেয়েহে কাগজী নেমু, শেৱালি ফুল, জাৰ্মান বন, ভটৰা, কাঁইটীয়া জোপোহা, পান-তামোলৰ গছ, আম-কঁঠালৰ গছ আদি বৰ্ণনাৰ প্ৰয়োজনত বা আলংকৰিক কাৰণত স্বতঃপ্ৰবৃত্তভাৱে ভুমুকি মাৰিছে উপন্যাসখনৰ ঠায়ে ঠায়ে।

সাম্প্ৰতিক কালত জনপ্ৰিয়তা লাভ কৰা ঔপন্যাসিকা গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' এখনি আঞ্চলিক উপন্যাস। এই উপন্যাসত এটা

বিশেষ অঞ্চলৰ জীৱনধাৰাৰ স্বকীয় বৈশিষ্ট্য পৰিস্ফুট হৈ উঠে। সেই অঞ্চলৰ বিশ্বাস, মাতকথা, আচাৰ-ব্যৱহাৰ প্ৰাকৃতিক পৰিৱেশ আদিয়ে কাহিনীত প্ৰভাৱ বিস্তাৰ কৰে। (ভৰালী, শৈলেন। উপন্যাস ঃ বিচাৰ আৰু বিশ্লেষণ। পৃ.-১৩)।

উক্ত উপন্যাসখনত দক্ষিণ কামৰূপৰ আমৰঙা-বৰিহাট অঞ্চলৰ বাট-পথ, নৈ-নিজৰা, মাটিয়া পাহাৰ, গছ-লতা সকলোতে প্ৰাকৃতিক পৰিৱেশৰ আভাস প্ৰকাশিত হৈ উঠিছে। এনেদৰে উপন্যাসখনত প্ৰকৃতিৰ অপূৰ্ব সৌন্দৰ্য জীপাল কৰি তোলাৰ ক্ষেত্ৰত ঔপন্যাসিকাৰ ভূমিকা অতুলনীয়।

**গ্ৰন্থপঞ্জী ঃ**

১। গোস্বামী, মামণি ৰয়ছম। দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা। পাণবজাৰ ঃ বাণী প্ৰকাশ, ২০১১ চন।

২। দেৱী, জাহ্নৱী। উপন্যাস-বিচাৰ। মিৰ্জা ঃ ব্ৰহ্মপুত্ৰ বুক্‌চ। ২০০৩ চন।

৩। ভৰালী, শৈলেন। উপন্যাস ঃ বিচাৰ আৰু বিশ্লেষণ। চন্দ্ৰ প্ৰকাশ, তৃতীয় প্ৰকাশ, ২০০৩ চন।

৪। শৰ্মা, শৈলেনজিৎ। সম্পা.। মামণি ৰয়ছম গোস্বামীৰ উপন্যাস, জীৱন-জীজ্ঞাসা, সমাজ বাস্তৱতা, মূল্যায়ন ইত্যাদি। পাণবজাৰ ঃ অশোক পাব্লিকেশ্বন। ২০১৯।

৫। হুছেইন, নিকুমণি। সম্পা.। মামণি ৰয়ছমৰ আভা আৰু প্ৰতিভা। পাণবজাৰ ঃ চন্দ্ৰ প্ৰকাশ, ২০০৮ চন।

৬। গৰীয়সী। সম্পা.। চন্দ্ৰ প্ৰসাদ শইকীয়া। ষষ্ঠ বছৰ; তৃতীয় সংখ্যা, ডিচেম্বৰ, ১৯৯৮।

●●●